**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :15**-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN
**HEADLINES**

**:::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি পশ্চিমবংগত প্ৰায় ১৮ হাজাৰ সাতশ কোটি টকাৰ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে।

২। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি গুৱাহাটীত যুৱ শক্তি সমাৰোহত অংশগ্ৰহণৰ লগতে কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

৩। পশ্চিম এছিয়াত তীব্ৰ উত্তেজনাৰ মাজতে কালি লেবাননৰ বেইৰুটৰ পৰা দিল্লী অভিমুখে ১৭৭ গৰাকী ভাৰতীয় নাগৰিকক লৈ দ্বিতীয়খন বিমান ৰাওনা হৈছে।

৪। আফগানিস্তানত পাকিস্তানৰ আক্ৰমণত সাধাৰণ নাগৰিকৰ মৃত্যু হোৱাৰ লগতে অসামৰিক আন্তঃগাঁথনি ধবংস হোৱা কাৰ্যক ভাৰতে গৰিহণা দিছে।

*আৰু*

৫। ছুইছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ একক শাখাৰ  ফাইনেলত আজি জাপানৰ এছ কাটেথং, ইণ্ডোনেছিয়াৰ পি কে ৱাৰ্ডানিৰ মুখামুখি হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগত কালি প্ৰায় ১৮ হাজাৰ সাতশ কোটি টকাৰ একাধিক পথ, ৰেলৱে, আৰু বন্দৰ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। কলকাতাৰ ঐতিহাসিক ব্ৰিগেড পেৰেড খেলপথাৰত পৰিৱৰ্তন সংকল্প সমাৱেশত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে আগন্তুক বিধানসভা নিৰ্বাচনক বংগৰ অস্তিত্ব আৰু আত্মৰক্ষাৰ যুঁজ বুলি চিহ্নিত কৰে। ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে শাসকীয় তৃণমূল কংগ্ৰেছে ক্ষমতাৰ লালসাত অনুপ্ৰৱেশকাৰীক পৃষ্ঠপোষকতা কৰা বুলিও অভিযোগ উত্থাপন কৰে।

০০০০

আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে MY Bharat Budget Quest ২০২৬ সংস্কৰণত ৰাজ্যিক আৰু কেন্দ্ৰীয় শাসিত অঞ্চল পৰ্যায়ৰ বিজয়ীসকলৰ সৈতে মত বিনিময় কৰিব। এই পদক্ষেপে যুৱক-যুৱতীসকলক কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা কৰিবলৈ আৰু বিকশিত ভাৰত বা উন্নত ভাৰত গঢ়ি তোলাৰ ক্ষেত্ৰত তেওঁলোকৰ দৃষ্টিভংগী প্ৰকাশ কৰিবলৈ সুযোগ

প্ৰদান কৰে। এই অনুষ্ঠানৰ যোগেদি যুৱ মানসিকতা বা যুৱ শক্তিক অংশগ্ৰহণমূলক শাসন আৰু অৰ্থনৈতিক পৰিকল্পনাত জড়িত কৰোৱাত গুৰুত্ব আৰোপ কৰা হয়।

অমৃত প্ৰজন্ম বা যুৱ প্ৰজন্মৰ ভূমিকা শক্তিশালী কৰাৰ লগতে ২০৪৭ চনৰ ভিতৰত আত্মনিৰ্ভৰ বিকশিত ভাৰতত গঢ়াৰ ক্ষেত্ৰত অৰিহণা যোগোৱাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। কেন্দ্ৰীয় বাজেট ২০২৬ক যুৱ শক্তিচালিত বাজেট হিচাপে বহুলভাৱে স্বীকৃতি দিয়া হৈছে, য'ত শিক্ষা, দক্ষতা, উদ্যোগীকৰণ, উদ্ভাৱনৰ ক্ষেত্ৰত যুৱক-যুৱতীসকলক সবলীকৰণৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই প্ৰেক্ষাপটত MY Bharat Platform ত আয়োজিত MY Bharat Budget Quest ২০২৬-এ এটা অনন্য পদক্ষেপ হিচাপে আত্মপ্ৰকাশ কৰিছে। এই পদক্ষেপে কেন্দ্ৰীয় বাজেটক দেশৰ যুৱক-যুৱতীসকলৰ ওচৰলৈ লৈ যায়, যাৰ ফলত তেওঁলোকে ইয়াৰ অগ্ৰাধিকাৰসমূহ বুজিব পাৰে আৰু ইয়াৰ দৃষ্টিভংগীৰ ওপৰত চিন্তা-চৰ্চা কৰিব পাৰে।

০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ দুদিনীয়া ভ্ৰমণসূচীৰে কালি সন্ধিয়া গুৱাহাটীত উপস্থিত হৈছে। মন্ত্ৰীগৰাকীক বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আদৰণি জনায়। শ্ৰীশ্বাহে আজি ভাৰতীয় জনতা যুৱ মৰ্চাৰ উদ্যোগত খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত আয়োজিত যুৱ শক্তি সমাৰোহত অংশগ্ৰহণ কৰিব।

মন্ত্ৰীগৰাকীয়ে আজি প্ৰাগজ্যোতিষপুৰ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতাল আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰাৰ লগতে ভাৰ্চুৱেল ব্যৱস্থাৰে গোলাঘাট আৰু তিনিচুকীয়া কৰ্কট কেন্দ্ৰকে ধৰি কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ শুভাৰম্ভ আৰু আধাৰশিলা স্থাপন কৰিব। তেওঁ ডিফু চিকিৎসা মহাবিদ্যালয় হাস্পতাল, যোৰহাট, বৰপেটা, অভয়াপুৰী চুপাৰ স্পেচিয়েলিটি হাস্পতাল আৰু গুৱাহাটী স্বাস্থ্য ভৱনৰ আধাৰশিলা স্থাপন কৰিব।

০০০০

ইৰাণৰ সৈতে যুদ্ধই তৃতীয় সপ্তাহত প্ৰৱেশ কৰাৰ লগে লগে বিশ্বৰ তেল যোগানৰ বাবে গুৰুত্বপূৰ্ণ সংকীৰ্ণ জাহাজ পথ সুৰক্ষিত কৰিবলৈ প্ৰভাৱিত দেশসমূহলৈ আমেৰিকাৰ ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পে আহ্বান জনাইছে।সামাজিক মাধ্যম ট্ৰুথ ছ'চিয়েলত দিয়া এটা পোষ্টত ট্ৰাম্পে চীন, ফ্ৰান্স, জাপান, দক্ষিণ কোৰিয়া, ব্ৰিটেইন আদি দেশক হৰমুজ প্ৰণালীৰে জাহাজ প্ৰেৰণ কৰিবলৈ আহ্বান জনাই কয় যে আমেৰিকাই বোমা বিস্ফোৰণ অব্যাহত ৰাখিব আৰু কেৱল ইৰাণৰ জাহাজসমূহক লক্ষ্য কৰি ল'ব। উল্লেখযোগ্য যে ২৮ ফেব্ৰুৱাৰীৰ পৰা আমেৰিকা আৰু ইজৰাইলে ইৰাণৰ ওপৰত ব্যাপক যৌথ আক্ৰমণ চলাইছে আৰু ইৰাণেও

প্ৰত্যুত্তৰ দিয়াৰ ফলত সমগ্ৰ উপসাগৰীয় অঞ্চলত যুদ্ধৰ প্ৰভাৱ পৰিছে। হৰমুজত আক্ৰমণৰ ফলত খাৰুৱা তেলৰ বিশ্বব্যাপী যোগান শৃংখলাত যথেষ্ট প্ৰভাৱ পৰিছে। ট্ৰাম্পে দাবী কৰে যে আমেৰিকাই ইতিমধ্যে ইৰাণৰ সামৰিক সামৰ্থ্যৰ ১০০ শতাংশ ধ্বংস কৰি পেলাইছে, কিন্তু তেওঁলোকৰ বাবে যিমান বেয়াকৈ পৰাজিত হলেও হৰমুজ জলপথত বা ইয়াৰ আশে পাশে এটা বা দুটা ড্ৰ'ন পঠোৱা, মাইন পেলোৱা, বা নিকট দূৰত্বৰ ক্ষেপণাস্ত্ৰ প্ৰেৰণ কৰাটো সহজ। ইৰাণে পাৰ্চী উপসাগৰ আৰু ওমান উপসাগৰৰ মাজৰ সংকীৰ্ণ জাহাজ পৰিবহণ পথ হৰমুজ জলদ্বীপ কাৰ্যতঃ বন্ধ কৰি দিয়াৰ পিছতে বিশ্বত তেল আৰু গেছৰ নাটনি আৰু মূল্য বৃদ্ধি হৈছে।

০০০০

ভাৰতীৰ শিৱলিক আৰু নন্দ দেৱী নামৰ দুখন জাহাজে কালি নিৰাপদে হৰমুজ জলপথ অতিক্ৰম কৰিছে। কালি নতুন দিল্লীত জাহাজ আৰু জলপথ মন্ত্ৰ্যালয়ৰ বিশেষ সচিব ৰাজেশ কুমাৰ সিনহাই সংবাদমেলত এই কথা সদৰী কৰে। পেট্ৰলিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ৰ যুটীয়া সচিব সুজাতা শৰ্মাই অৱগত কৰে যে খুচুৰা বিপণী বা বিতৰণকাৰী প্ৰতিষ্ঠানসমূহত পৰ্যাপ্ত পৰিমাণৰ ডিজেল আৰু পেট্ৰ'ল উপলব্ধ হৈ আছে। নাগৰিকসকলক ৰন্ধন গেছৰ আগতীয়া বা অপ্ৰয়োজনীয় বুকিং কৰাৰ পৰা বিৰত থাকিবলৈ মন্ত্ৰালয়ে আহ্বান জনাইছে।

০০০০

পশ্চিম এছিয়াত তীব্ৰ উত্তেজনাৰ মাজতে কালি লেবাননৰ বেইৰুটৰ পৰা দিল্লী অভিমুখে ১৭৭ গৰাকী ভাৰতীয় নাগৰিকক লৈ দ্বিতীয়খন বিমান ৰাওনা হয়। বেইৰুটত থকা ভাৰতীয় দূতাবাসে ভাৰতীয় নাগৰিকসকলক সহায় কৰাৰ বাবে এই বিমানখনৰ ব্যৱস্থা কৰিছে বুলি সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰকাশ কৰা হৈছে। ইয়াৰ পূৰ্বে ১১ মাৰ্চত তেওঁলোকৰ নিয়োগকৰ্তা কোম্পানীয়ে ব্যৱস্থা কৰা চাৰ্টাৰ বিমানেৰে ১৭৭ গৰাকী ভাৰতীয় নাগৰিকৰ প্ৰথমটো দল দিল্লীলৈ ঘূৰাই পঠিওৱাৰ ব্যৱস্থা কৰিছিল। আনহাতে ভাৰতীয় দূতাবাসে কয়, যে কাটাৰ এয়াৰৱেজে ভাৰতলৈ দুখনকৈ বিমান চলাচলৰ সুবিধা কৰি দিছে যাৰ ফলত প্ৰায় ৮৫০ গৰাকী ভাৰতীয় নাগৰিকে কাটাৰৰ পৰা বাহিৰলৈ যোৱাৰ সুবিধা লাভ কৰিব। ইয়াৰ লগতে কাটাৰ এয়াৰৱেজে আজি নতুন দিল্লীলৈ এখন বিমান আৰু কাইলৈ ভাৰতলৈ তিনিখন বিমান যাত্ৰাৰ কথা ঘোষণা কৰিছে।

০০০০

আফগানিস্তানৰ ভূখণ্ডত পাকিস্তানে কৰা বিমান আক্ৰমণৰ ফলত কেইবাজনো সাধাৰণ নাগৰিকৰ মৃত্যু হোৱাৰ লগতে অসামৰিক আন্তঃগাঁথনি ধ্বংস হোৱা কাৰ্যক ভাৰতে গৰিহণা দিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছৱালে কয় যে সাৰ্বভৌম আফগানিস্তানৰ ধাৰণাটোৰ প্ৰতি শত্ৰুতা অব্যাহত ৰখা পাকিস্তানৰ এই আক্ৰমণ গৰিহণাযোগ্য। তেওঁ লগতে কয় যে আফগানিস্তানৰ সাৰ্বভৌমত্ব আৰু ভূখণ্ডৰ অখণ্ডতাই সম্পূৰ্ণৰূপে সন্মান লাভ কৰা উচিত।

০০০০

জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা জে এণ্ড কেৰ নেচনেল কনফাৰেন্সৰ সভাপতি ফাৰুক আব্দুল্লাৰ ওপৰত গুলী চালনাৰ চেষ্টা চলোৱাৰ বিষয়টোৰ সন্দৰ্ভত তদন্ত কৰাৰ বাবে জম্মু-কাশ্মীৰ আৰক্ষীয়ে বিশেষ তদন্তকাৰী দল গঠন কৰিছে। জম্মু-চাম্বা-কথুৱা (জে এছ কে) ৰেঞ্জৰ আৰক্ষী উপ-মহাপৰিদৰ্শকৰ তত্বাৱধানত এছ আই টি গঠন কৰা হৈছে। এছ আই টিত জ্যেষ্ঠ আৰক্ষী অধীক্ষক সঞ্জয় শৰ্মা, জম্মুৰ আৰক্ষী অধীক্ষকৰ মুখ্য কাৰ্যালয়ৰ ইৰছাদ হুছেইন ৰাথাৰ, উপ-আৰক্ষী অধীক্ষক অৰবিন্দ কুমাৰ ছাম্বিয়াল, পৰিদৰ্শক স্বৰূপ সিং, পৰমজিৎ সিং, গাংগিয়াল থানাৰ এছ এইছ অ' পৰিদৰ্শক সঞ্জীৱ চিব আৰু পৰিদৰ্শক সৰিক মজিদক অন্তৰ্ভুক্ত কৰা হৈছে। দলটোক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত পুংখানুপুংখভাৱে তদন্ত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। আৰক্ষী মহাপৰিদৰ্শক ভীমসেন টুটীয়ে এই নিৰ্দেশনা জাৰি কৰিছে। উল্লেখযোগ্য যে, যোৱা ১১ মাৰ্চত জম্মুৰ এখন বিবাহৰ অনুষ্ঠানত ফাৰুক আব্দুল্লাই অংশগ্ৰহণ কৰি থকা সময়তে এই ঘটনা সংঘটিত হৈছিল।

০০০০

ভাৰতৰ বতৰ বিজ্ঞান বিভাগে আজি চণ্ডীগড়, হাৰিয়ানা, পূব উত্তৰ প্ৰদেশ, পঞ্জাৱ আৰু উত্তৰাখণ্ডত শিলাবৃষ্টি আৰু ধুমুহা বতাহৰ সৈতে বজ্ৰপাতৰ সম্ভাৱনাৰ প্ৰতি লক্ষ্য ৰাখি সতৰ্কবাণী জাৰি কৰিছে। বতৰ বিজ্ঞান বিভাগে অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, ওড়িশা, তেলেংগানা, বিদৰ্ভ আৰু পশ্চিম মধ্য প্ৰদেশতো একেধৰণৰ পৰিস্থিতিৰ সম্ভাৱনা প্ৰকাশ কৰিছে। আকাশবাণী নিউজৰ সৈতে হোৱা কথা-বতৰাত বিভাগৰ জ্যেষ্ঠ বিজ্ঞানী আৰ কে জেনামণীয়ে কয় যে আজি ৰাষ্ট্ৰীয় ৰাজধানীতো ধুমুহা, বজ্ৰপাতৰ বাবে হালধীয়া সতৰ্কবাণী জাৰি কৰা হৈছে। ইফালে জম্মু, কাশ্মীৰ, লাডাখ, গিলগিট, বাল্টিস্তান আৰু মুজাফ্ফৰাবাদতো আজি শিলাবৃষ্টি আৰু ধুমুহা বতাহৰ সৈতে বজ্ৰপাত হোৱাৰ সম্ভাৱনা আছে।

০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ BCCIএ আজি নতুন দিল্লীত নমন বঁটা ২০২৬ অনুষ্ঠানৰ জৰিয়তে ভাৰতীয় ক্ৰিকেট তাৰকা আৰু অৰদানকাৰীসকলৰ সাফল্যক উদযাপন কৰিব। চলিত বৰ্ষৰ অনুষ্ঠানত ক্ৰিকেট কিংবদন্তি ৰজাৰ বিনি আৰু ৰাহুল দ্ৰাবিদে ভাৰতীয় ক্ৰিকেটৰ প্ৰতি আগবঢ়োৱা ব্যতিক্ৰমী সেৱাৰ বাবে বিচিচিআইৰ সৰ্বোচ্চ সন্মান কৰ্ণেল চি কে নায়ুডু জীৱনজোৰা সাধনা বঁটা লাভ কৰিব। ইফালে, মহিলা ক্ৰিকেটত উল্লেখযোগ্য অৱদানৰ স্বীকৃতি স্বৰূপে ভাৰতৰ প্ৰাক্তন মহিলা অধিনায়ক মিতালী ৰাজক বিচিচিআইৰ জীৱনজোৰা সাধনা বঁটাৰে সন্মানিত কৰা হ'ব। ২০২৪-২৫ বৰ্ষত ভাৰতীয় ক্ৰিকেটত আগবঢ়োৱা অৱদানৰ বাবে খেলুৱৈসকলক বিভিন্ন শিতানত আজি সন্মান প্ৰদান কৰা হ'ব।

০০০০

বেডমিণ্টনত কালি ইণ্ডোনেছিয়াৰ উট্ৰি কুছুমা ৱাৰ্ডানিয়ে ছুইছ অ'পেন ২০২৬ৰ মহিলাৰ একক বেডমিণ্টন প্ৰতিযোগিতাত অকুহাৰা নজ'মিক ২১-১৬, ২১-১৩ গ'লত পৰাস্ত কৰি নিজৰ স্থান দখল কৰে। আজি অনুষ্ঠিত হ'বলগীয়া ফাইনেলত ৱাৰ্ডানিয়ে বিশ্বৰ সাত নম্বৰ খেলুৱৈ শ্বিড ছুপানিদা কাটেথঙৰ মুখামুখি হ'ব।

০০০০

এফ আই এইচ মহিলা হকী বিশ্বকাপ কোৱালিফায়াৰৰ ফাইনেলত কালি ভাৰত ইংলেণ্ডৰ হাতত ০-২ গলত পৰাস্ত হয়। খেলখন তেলেংগানাৰ জি এম চি বালাযোগী হকী গ্ৰাউণ্ডত অনুষ্ঠিত হৈছিল। প্ৰতিযোগিতাত বিশ্বৰ ষষ্ঠ স্থানত থকা ইংলেণ্ডে ১৩ মিনিটত গ্ৰেছ ৱালষ্টনৰ পেনাল্টি কৰ্ণাৰৰ সহায়ত প্ৰথমটো গ'ল দিয়াৰ পাছত খেলৰ ৪৩ মিনিটত এলিজাবেথ নীলে দ্বিতীয়টো গ'ল দিয়ে। বিশ্বকাপৰ এই সংস্কাৰণটো পুৰুষৰ হকী প্ৰতিযোগিতাৰ সমান্তৰালভাৱে অহা ১৪ৰ পৰা ৩০ আগষ্টলৈ নেডাৰলেণ্ড আৰু বেলজিয়ামে যৌথভাৱে আয়োজন কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ